# 2026

## ASSAMESE

( Major )

Paper : ASS4400104MJ

( অসমীয়া লোক-সাহিত্য অধ্যয়ন )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। চমু উত্তৰ দিয়া : ১×৮=৮

(ক) 'অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা' গ্ৰন্থখনৰ লেখক কোন?

(খ) বিহুগীতবোৰ কি ছন্দত ৰচিত?

(গ) ভঠেলি উৎসৱত ব্যৱহৃত বাঁহডালক কি বোলে?

(ঘ) শ্ৰমমূলক লোকগীতৰ এটা প্ৰকাৰৰ নাম লিখা।

(ঙ) চগ্ৰামিচাৱা উৎসৱ কোন জনগোষ্ঠীৰ লোক-উৎসৱ?

(চ) মালিতা শব্দটোৰ ইংৰাজী প্ৰতিশব্দ কি?

(ছ) সাঁথৰৰ আন এটা নাম কি?

(জ) "লোক-সাহিত্য হ'ল অখ্যাত কবিৰ বিখ্যাত ৰচনা"—কথাষাৰৰ বক্তা কোন?

২। চমু উত্তৰ দিয়া (যি কোনো ছয়টা) : ২×৬=১২

(ক) লোক-সাহিত্য প্ৰধানকৈ কি কি ৰূপত পোৱা যায়?

(খ) অনুষ্ঠানমূলক লোকগীতৰ ভাগ দুটা কি কি?

(গ) ফাৰকান্তি আৰু চ'মাংকান কোন কোন জনগোষ্ঠীয়ে পালন কৰা উৎসৱ?

(ঘ) মহোহো বা মহখেদা গীতৰ সমপৰ্যায়ৰ দুবিধ গীতৰ নাম লিখা।

(ঙ) নাঙেলী গীত অসমৰ কোন অঞ্চলত প্ৰচলিত? এই গীত মূলত কোনে গায়?

(চ) অসমীয়া সমাজত প্ৰচলিত দুটা প্ৰবাদ উল্লেখ কৰা।

(ছ) দুটা জনশ্ৰুতিমূলক মালিতাৰ নাম উল্লেখ কৰা।

(জ) অসমীয়া লোক-সাহিত্যৰ অন্তৰ্গত দুই প্ৰকাৰৰ দাৰ্শনিক ভাবাপন্ন গীতৰ নাম লিখা।





(ঝ) অসমত সাধুকথা বুজাবলৈ ব্যৱহাৰ কৰা দুটা প্ৰতিশব্দ লিখা।

(ঞ) অসমৰ গোৱালপাৰা অঞ্চলত প্ৰচলিত ভাৱাইয়া গীতৰ বিষয়বস্তু কি? গোৱালপৰীয়া লোকগীতৰ এগৰাকী প্ৰখ্যাত শিল্পীৰ নাম লিখা।

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) ধৰ্মনিৰপেক্ষ লোকগীত

(খ) মন্ত্ৰ সাহিত্য

(গ) ভেকুলী বিয়াৰ গীত

(ঘ) বৈচাগু

(ঙ) এউৰি মগা বা অ'ৰি মগা গীত

(চ) বাৰমাহী বিলাপ গীত

(ছ) সাধুকথা

(জ) প্ৰবাদ-প্ৰবচন

৪। ৰচনাধৰ্মী উত্তৰ দিয়া (যি কোনো দুটা) : ১০×২=২০

(ক) লোক-সাহিত্য বুলিলে কি বুজা? লোক-সাহিত্যৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

(খ) জনগোষ্ঠীয় লোক-সাহিত্য বুলিলে কি বুজা? জনগোষ্ঠীয় লোক-সাহিত্য সম্পৰ্কে এটি টোকা যুগুত কৰা।

(গ) খেল-ধেমালিৰ লগত জড়িত গীত সম্পৰ্কে বহলাই লিখা।

(ঘ) মালিতা বুলিলে কি বুজা? মালিতাৰ শ্ৰেণী-বিভাজন কৰি যি কোনো তিনিটা ভাগৰ চমু বৰ্ণনা দিয়া।

(ঙ) সাঁথৰৰ শ্ৰেণী-বিভাজন কৰি উদাহৰণসহ আলোচনা কৰা।

★★★